## লক্ষণসমূহ চিনাক্ত হোৱাৰ পিছত, নিম্নলিখিতসমূহৰ যত্ন ল'ব



জ্বৰ
পৰীক্ষা কৰক




ওজন
পৰীক্ষা কৰক



উশাহৰ
সংখ্যা গণনা কৰক



অক্সিজেনৰ
স্তৰ পৰীক্ষা কৰক

## নিউম’নিয়াৰ পৰা সুৰক্ষাৰ বাবে কি কৰিব লাগিব?



- শিশুটিৰ শৰীৰ ঢাকি ৰাখিব
- শীতকালত, তেওঁলোকক উলৰ কাপোৰ পিন্ধিবলৈ দিয়ক আৰু তেওঁলোকক খালি ভৰিৰে খোজ কাঢ়িবলৈ নিদিব



- ৰন্ধা আৰু খোৱাৰ আগতে, আৰু শৌচাগাৰলৈ যোৱাৰ পিছত আপোনাৰ হাত চাবোনেৰে ধুব



- আপোনাৰ ঘৰ ধোঁৱাৰে ভৰি থাকিবলৈ নিদিব আৰু খিৰিকীবোৰ খোলা ৰাখিব
- ৰন্ধাৰ বাবে কেৱল এলপিজি গেছ ষ্টোভ ব্যৱহাৰ কৰিব



- জন্মৰ পিছৰ প্ৰথম ঘণ্টাত মাতৃদুগ্ধ খুৱাব
- জন্মৰ পিছৰ ৬ মাহলৈকে কেৱল মাতৃদুগ্ধ খুৱাব
- ৬ মাহৰ পিছত, কেঁচুৱাৰ আহাৰত কঠিন খাদ্য অন্তৰ্ভুক্ত কৰা আৰম্ভ কৰক



- শিশুটোক সম্পূৰ্ণ আৰু সময়মতে টিকাকৰণ কৰাটো নিশ্চিত কৰিব

যিকোনো লক্ষণ প্ৰত্যক্ষ কৰিলে ততালিকে নিকটতম স্বাস্থ্যসেৱা কেন্দ্ৰলৈ যাওঁক

स्वच्छ भारत
एक कदम स्वच्छता की ओर

सत्यमेव जयते
অসম চৰকাৰ

NATIONAL HEALTH MISSION
राष्ट्रीय स्वास्थ्य मिशन
ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসম



# আপোনাৰ সন্তানৰ সুৰক্ষা নিশ্চিত কৰক। নিউম'নিয়াৰ লক্ষণসমূহৰ বিষয়ে জানক।

SAANS
साँस
निमोनिया नहीं, तो बचपन सही

# নিউম’নিয়া কি?

## বীজাণুৰ দ্বাৰা হাঁওফাঁওৰ সংক্ৰমণৰ ফলত নিউম’নিয়া হয়

নিউম’নিয়া হৈছে এক গুৰুতৰ ৰোগ। দেশত পাঁচ বছৰ বয়সৰ তলৰ বেছিভাগ শিশুৰ মৃত্যুৰ আটাইতকৈ ডাঙৰ কাৰণ হৈছে নিউম’নিয়া। সেয়েহে, ঘৰুৱা প্ৰতিকাৰ বিচাৰি আপোনাৰ সময় অপচয় নকৰিব। যদি আপুনি নিউম’নিয়াৰ লক্ষণবোৰ প্ৰত্যক্ষ কৰে, লগে লগে আপোনাৰ সন্তানক নিকটতম স্বাস্থ্য কৰ্মী বা নিকটতম স্বাস্থ্যসেৱা কেন্দ্ৰলৈ লৈ যাওঁক।

## নিউম'নিয়াৰ লক্ষণসমূহ


চৰ্দি আৰু কাহ বৃদ্ধি হোৱা


দ্ৰুত উশাহ-নিশাহ


উশাহ লওঁতে বুকু ভিতৰলৈ সোমাই যোৱা


অতিপাত জ্বৰ

## নিউম’নিয়াৰ গুৰুতৰ লক্ষণসমূহ


ভোক নলগা


ঠাণ্ডা অনুভৱ


ভাগৰ বা অত্যাধিক টোপনি

যিকোনো লক্ষণ প্ৰত্যক্ষ কৰিলে ততালিকে নিকটতম স্বাস্থ্যসেৱা কেন্দ্ৰলৈ যাওঁক

# শিশুটিৰ উশাহৰ গতি বয়স অনুসৰি বেছি কেনেদৰে গম পাব?

(তলত দিয়া তালিকাখন চাওক)



উশাহৰ গতি স্বাভাৱিক নে দ্ৰুত জানিবলৈ স্বাস্থ্য কৰ্মীয়ে ষ্টপৱাচ ব্যৱহাৰ কৰিব পাৰে

| বয়স | দ্ৰুত উশাহ-নিশাহৰ মানদণ্ড |
|---|---|
| ০-২ মাহ বয়সৰ শিশু | প্ৰতি মিনিটত, উশাহৰ গতি **৬০** বা অধিক |
| ২ মাহৰ পৰা ১ বছৰ বয়সৰ শিশু | প্ৰতি মিনিটত, উশাহৰ গতি **৫০** বা অধিক |
| ১-৫ বছৰ বয়সৰ শিশু | প্ৰতি মিনিটত, উশাহৰ গতি **৪০** বা অধিক |

## নিউম’নিয়া কেনেদৰে বিকশিত হয়?

দীৰ্ঘদিন ধৰি ধোঁৱাৰ ওচৰত থকা, বতৰৰ পৰিৱৰ্তন, দুৰ্বল ৰোগ প্ৰতিৰোধ ক্ষমতা, পুষ্টিকৰ খাদ্যৰ অভাৱ

## নিউম’নিয়া কেনেদৰে বিয়পে?

নিউম’নিয়া ৰোগী এজনৰ কাহ বা হাঁচিৰ জৰিয়তে এই ৰোগ বিয়পে।